Date ___/___/_____

১। ৰাজহুৱা দ্ৰব্যৰ সংজ্ঞা দিয়া।

Ans→ যি অভাৱ এককভাৱে পূৰণ নকৰি সমূহীয়াভাৱে পূৰণ কৰা হয়, ব্যক্তিগতভাৱে মূল্য আৰোপ কৰিব নোৱাৰি আৰু মূল্য পৰিশোধ নকৰিলেও ব্যক্তিগতভাৱে ভোক্তাক বঞ্চিত কৰিব নোৱাৰি আৰু যি অভাৱ চৰকাৰী বাজেটৰ সহায়ত পূৰণ কৰিবলগীয়া হয় তেনে অভাৱক সামাজিক অভাৱ বোলা হয়।

যিবোৰ দ্ৰব্য আৰু সেৱাৰ সহায়ত সামাজিক বা সামূহিক অভাৱ পূৰণ কৰা হয় তাকে সামাজিক বা ৰাজহুৱা দ্ৰব্য বোলা হয়।

২। ৰাজহুৱা দ্ৰব্যৰ বৈশিষ্ট্য বোৰ কি কি?

Ans: ৰাজহুৱা দ্ৰব্যৰ বৈশিষ্ট্যবোৰ তলত আলোচনা কৰা হ'ল:

(i) সমভোগ : এক কিলান আৰু একক আকাৰত ৰাজহুৱা দ্ৰব্য উপলব্ধ হয়। সেয়েহে কোনো অঞ্চলৰ সকলো লোকে ইয়াক সমপৰিমাণে ভোগ কৰাৰ সুবিধা লাভ কৰে।

উদাহৰণস্বৰূপে গ্ৰামাঞ্চলত ৰাজপথৰ উপস্থিতিয়ে অনা সুবিধা সকলোৱে বাবে সমান।

(ii) বহিষ্কৰণ নীতিৰ অ-প্ৰয়োগ : ৰাজহুৱা দ্ৰব্যৰ ক্ষেত্ৰত বহিষ্কৰণ নীতি প্ৰযোজ্য নহয়। অৰ্থাৎ ৰাজহুৱা দ্ৰব্যৰ ক্ষেত্ৰত মূল্য পৰিশোধ নকৰিলেও ইয়াৰ ভোগৰ পৰা কোনো এজন ভোক্তাক বঞ্চিত কৰিব নোৱাৰি।

উদাহৰণস্বৰূপে, বাৰ্দ্ধক্য বাৰ্দ্ধক্য নথকা অৱস্থাত ধাৰ্য কৰা মূল্য পৰিশোধ নকৰা বাবে এজন ব্যক্তি বা পৰিয়ালক এটা ৰাজপথৰ সুবিধাৰ পৰা বঞ্চিত কৰিব নোৱাৰি।

Scanned with CamScanner

Date ___/___/_____

(iii) অপ্ৰতিদ্বন্দ্বিতাপূৰ্ণতা: অপ্ৰতিদ্বন্দ্বিতাপূৰ্ণতা হৈছে ৰাজহুৱা দ্ৰব্যৰ অন্যতম বৈশিষ্ট্য। অৰ্থাৎ এনে দ্ৰব্য এজনে ভোগ কৰাৰ সময়ত আনৰ বাবে ইয়াৰ উপলব্ধতা কমি নাযায়।

উদাহৰণস্বৰূপে, এজন ব্যক্তিয়ে ৰাজপথত ভ্ৰমণ কৰোঁতে আনৰ বাবে ৰাজপথত ভ্ৰমণ কৰাৰ সুবিধা কমি নাযায়।

(iv) পছন্দ গাঁথনিৰ অপ্ৰকাশ: ৰাজহুৱা দ্ৰব্যৰ ক্ষেত্ৰত ভোক্তাৰ পছন্দ প্ৰকাশ নাপায়। অৰ্থাৎ এনে দ্ৰব্যৰ যোগান চাহিদাৰ ভিত্তিত নিৰ্ধাৰণ কৰিব পৰা নাযায়। ব্যক্তিগতভাৱে ভোক্তাক ৰাজহুৱা দ্ৰব্যৰ ভোগৰ পৰা বঞ্চিত কৰিব পৰা নাযায় বাবেই এনে দ্ৰব্যৰ প্ৰতি ভোক্তাৰ পছন্দ প্ৰকাশ নাপায়।

(v) দৰ নিৰ্ধাৰণ প্ৰক্ৰিয়াৰ অপ্ৰয়োগ: ৰাজহুৱা দ্ৰব্যৰ ক্ষেত্ৰত বহিষ্কৰণ নীতি প্ৰযোজ্য নহয় আৰু ইয়াৰ বাবে এনে দ্ৰব্যৰ দৰ নিৰ্ধাৰণ কৰাটো সম্ভৱ নহয়। কাৰণ ভোক্তাৰ পছন্দ প্ৰকাশ নোপোৱা বাবে এনে দ্ৰব্য ভোগ কৰি ভোক্তাৰ প্ৰান্তীয় উপযোগিতা কিমান তাক জানিব নোৱাৰি। ভোক্তাৰ চাহিদাৰ সম্পৰ্কে সকা অজ্ঞতাই মূল্য নিৰ্ধাৰণ প্ৰক্ৰিয়া সম্ভৱ নহয়। সেয়েহে এনে দ্ৰব্যৰ ওপৰত কৰ আৰোপ কৰি ইয়াৰ যোগান ব্যয় বহন কৰা হয়।

Scanned with CamScanner

Date ___ / ___ / ______

৩। বজাৰ প্ৰক্ৰিয়াৰ ব্যৰ্থতা কি?

Ans: দ্ৰব্যৰ প্ৰকৃতি, উৎপাদন ব্যয় আৰু সম্পদৰ যুক্ততাৰ যিকোনো এটাৰ কাৰ্যকৰী নহলেই বজাৰ প্ৰক্ৰিয়া সুকুমাৰে পৰিচালিত হব নোৱাৰে আৰু সম্পদৰ বণ্টন দক্ষতাপূৰ্ণ হৈ সকলোৰ সেৱা বঞ্চিত হব লগীয়া হয় আৰু ইয়াকে সামূহিকভাৱে 'বজাৰৰ ব্যৰ্থতা' বোলা হয়।

৪। বজাৰ ব্যৰ্থতাৰ উৎস সমূহ কি কি?/

বজাৰ ব্যৰ্থতাৰ উদয় হোৱাৰ কাৰণসমূহ কি কি?

উত্তৰ: বজাৰ ব্যৰ্থতাৰ উৎস বা বজাৰ ব্যৰ্থতা সৃষ্টি হোৱাৰ কাৰণ সমূহ তলত আলোচনা কৰা হল -

(i) ৰাজহুৱা দ্ৰব্যৰ উপস্থিতি: ৰাজহুৱা দ্ৰব্যৰ প্ৰতিদ্বন্দ্বিতাহীনতা আৰু অবহিষ্কৰণযোগ্যতা বৈশিষ্ট্য দুটাৰ বাবেই এনে দ্ৰব্যৰ বেলিকা বণ্টনমূলক দক্ষতা অনুসৰণ কৰিব নোৱাৰি। যেনে ইয়াত বজাৰ প্ৰক্ৰিয়া ব্যৰ্থ হয়।

উদাহৰণস্বৰূপে বিশুদ্ধ মুক্ত বায়ুৰ কথাকে ক'ব পাৰি। মুক্ত বায়ু প্ৰতিদ্বন্দ্বিতাহীন। কাৰণ এজনে সেৱন কৰা কাৰণে আনজন বায়ু সেৱনৰ সেৱা বঞ্চিত নহয়। আকৌ বিশুদ্ধ বায়ু অবহিষ্কৰণযোগ্য, কাৰণ কোনো এটা অঞ্চলত বসতি কৰা লোকৰ মাজৰ পৰা এজন ব্যক্তিক এনে বায়ু সেৱনৰ পৰা বিৰত ৰাখিব নোৱাৰি।

(ii) অসম্পূৰ্ণ প্ৰতিযোগিতাৰ উপস্থিতি: যদি বজাৰত পূৰ্ণ প্ৰতিযোগিতা নাই বুলি ধৰি লোৱা হয়, তেতিয়া দ্ৰব্যসেৱাৰ চাহিদা সঠিকভাৱে নিৰ্ণয় কৰাটো অসুবিধাজনক হৈ পৰে। এনে অৱস্থাত প্ৰতিষ্ঠানসমূহে সম্পদৰ বণ্টন আৰু কাৰিকৰী দক্ষতা অৰ্জন কৰা সম্ভৱ নহয়। এনে পৰিস্থিতিত বজাৰ ব্যৰ্থতাৰ সৃষ্টি হয়।

Scanned with CamScanner

Date ___/___/___

(iii) <u>বাহ্যিকতাৰ উপস্থিতি</u>: বাজহুৱা দ্ৰব্যৰ ক্ষেত্ৰত বাহ্যিকতাৰ সমাহাৰ ঘটে। কোনো এজনৰ ভোগ-উৎপাদন কাৰ্যই যেতিয়া কোনো বিনিময় মূল্য নথকা অৱস্থাত আন এজনৰ ভোগ বা উৎপাদন কাৰ্যত প্ৰভাৱ পেলায়, তেতিয়া তাত বাহ্যিকতাৰ উপস্থিতি ঘটা বুলি কোৱা হয়।

যদি বজাৰ ব্যৱস্থাক এনে মাধ্যমত বিবেচনা কৰা হয়, তেতিয়া এই দ্ৰব্য উৎপাদন আৰু ভোগে পৰিবেশৰ অৱনতি ঘটাব পাৰে। এনে পৰিস্থিতি বজাৰ প্ৰক্ৰিয়া ব্যৰ্থ হ'ব পাৰে।

(iv) পৰিবেশীয় মান: যদি বজাৰ ব্যৱস্থাক 'পৰিবেশীয় মান' হিচাপে গণ্য কৰা হয়, তেতিয়া এই পৰিবেশীয় মানত নিহিত থকা বাজহুৱা দ্ৰব্যৰ বৈশিষ্ট্যই বজাৰ প্ৰক্ৰিয়াৰ ব্যৰ্থতাৰ সূচনা কৰে। অসম্পূৰ্ণ তথ্যশক্তিৰ কাৰণে বজাৰ ব্যৰ্থ হয়।

Scanned with CamScanner